# Official Spokesperson's response to a query about remarks by Chinese MFA Spokesperson on 29 September 2021 regarding the border situation

September 30, 2021

---

# চীন বিদেশ বিষয়ক মন্ত্ৰালয়ৰ মুখপাত্ৰয়ে 29 চেপ্তেম্বৰ 2021 তাৰিখে সীমা পৰিস্থিতিৰ সন্দৰ্ভত কৰা মন্তব্যৰ ওপৰত সংবাদ মাধ্যমে কৰা প্ৰশ্নৰ প্ৰতি চৰকাৰী মুখপাত্ৰৰ প্ৰতিক্ৰিয়া

চেপ্তেম্বৰ 30, 2021

**চীন বিদেশ বিষয়ক মন্ত্ৰালয়ৰ মুখপাত্ৰয়ে 29 চেপ্তেম্বৰ 2021 তাৰিখে সীমা পৰিস্থিতিৰ সন্দৰ্ভত কৰা মন্তব্যৰ ওপৰত সংবাদ মাধ্যমে কৰা প্ৰশ্নৰ প্ৰতি প্ৰতিক্ৰিয়া হিচাপে চৰকাৰী মুখপাত্ৰ, শ্ৰী অৰিন্দম বাগছিয়ে কয়:**

আমি ইতিমধ্যে কিছু দিন পূৰ্বে আমাৰ স্থিতি স্পষ্ট কৰিছোঁ যে আমি এনে ভাষ্য নাকচ কৰোঁ যাৰ কোনো তথ্যমূলক ভিত্তি নাথাকে। এয়া চীন পক্ষৰ দ্বাৰা বৃহৎ সংখ্যাৰ সেনা একত্ৰীকৰণ, তেওঁলোকৰ উত্তেজনামূলক আচৰণ আৰু স্থিৰতাৰ অৱস্থিতি সলনি কৰাৰ একপক্ষীয় প্ৰচেষ্টা আছিল আমাৰ সকলো দ্বিপক্ষীয় চুক্তিৰ বিৰুদ্ধে যাৰ ফলত পূব লাডাখৰ প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাত শান্তি আৰু প্ৰশান্তিৰ গুৰুতৰ উলংঘন ঘটে। চীনে এতিয়াও সীমা অঞ্চলত বৃহৎ সংখ্যাৰ সেনা আৰু অস্ত্ৰ প্ৰেৰণ অব্যাহত ৰাখিছে। এয়া চীনৰ কাৰ্যৰ প্ৰতিক্ৰিয়া হিচাপে আছিল যে, আমাৰ সেনা বাহিনীয়ে উপযুক্তি প্ৰেৰণ কৰিব লগা হয় এই অঞ্চলসমূহলৈ ভাৰতৰ নিৰপত্তা সম্পূৰ্ণভাৱে সুৰক্ষিত থকাটো নিশ্চিত কৰিবলৈ। এই মাহৰ আগ ভাগত চীন বিদেশ মন্ত্ৰীৰ সৈতে নিজৰ বৈঠকত আমাৰ বিদেশ বিষয়ক মন্ত্ৰীয়ে জোৰ দিয়াৰ দৰে এয়া আমাৰ আশা যে পূব লাডাখৰ প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ বাকী ৰোৱা সমস্যাসমূহৰ শীঘ্ৰ সমাধানৰ ফালে চীন পক্ষই কাম কৰিব দ্বিপক্ষীয় চুক্তি আৰু নীতিসমূহ সম্পূৰ্ণভাৱে অৱলম্বন কৰি।

**নতুন দিল্লী**
**চেপ্তেম্বৰ 30, 2021**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.